**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং - ১৫০**
**উত্তৰ দানৰ তাৰিখ – ০৮/০৭/২০২৬**

তৰাবিহীন প্ৰশ্ন নং – ১৫০
বিষয়ঃ অসমৰ প্ৰতি ডৰা পথাৰত জলসিঞ্চনৰ ব্যৱস্থা। বিধায়ক – শ্ৰীঅখিল গগৈঃ

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**(ক)** অসমৰ মুঠ ভৌগোলিক মাটিৰ পৰিমাণ, মুঠ খেতি কৰা মাটিৰ (Gross Sown Area) পৰিমাণ কিমান ? মাটিৰ জিলাভিত্তিক হিচাপ দাখিল কৰিব।

**(খ)** ৰাজ্য চৰকাৰৰ জলসিঞ্চনৰ নিজা সক্ৰিয় আঁচনিসমূহ কি কি ? বিগত ১০ বছৰত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত লাভ কৰা মুঠ ধনৰ সবিশেষ পৰিমাণ জনাবনে ? এই কেন্দ্ৰীয় ধনেৰে প্ৰকৃততে কিমান হেক্টৰ কৃষিপথাৰত নতুনকৈ জলসিঞ্চনৰ সুবিধা উপলব্ধ কৰা হ'ল ?

**(গ)** অসমৰ প্ৰতি টুকুৰা কৃষিপথাৰতে বছৰৰ সকলো সময়তে জলসিঞ্চনৰ সুনিশ্চিতভাৱে যোগান ধৰি উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যৰে চৰকাৰে কিবা সুদূৰপ্ৰসাৰী পৰিকল্পনা গ্ৰহণ কৰিছে নেকি ?

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ**

**(ক)** অসমৰ মুঠ ভৌগোলিক মাটিৰ পৰিমান হৈছে ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ। মুঠ খেতি কৰা মাটিৰ পৰিমান হ'ল ৪,০৮৭,৭৩৪ হেক্টৰ। মাটিৰ জিলাভিত্তিক হিচাপ অসম বিধানসভাৰ নিৰ্দেশানুসৰি **অনুবদ্ধ-১** হিচাপে বিধানসভাৰ ৱেবচাইত "www.cms.neva.gov.in" ত আপলোদ কৰা হ'ল।

**(খ)** ৰাজ্য চৰকাৰৰ জলসিঞ্চনৰ নিজা সক্ৰিয় আঁচনিসমূহ হ'ল -

SOPD – ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি
NLCPR – উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গঠিত অব্যয় নোহোৱা কেন্দ্ৰীয় সম্পদ পুঁজি
NABARD – ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক
NEC – উত্তৰ পূৰ্বাঞ্চল পৰিষদ
PMKSY–HKKP–SMI – প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনা
PMKSY–HKKP–AIBP–SMI-প্ৰধানমন্ত্ৰী কৃষি সিচাই ত্বৰাম্বিত জলসিঞ্চন আঁচনি
MCAD-সিঞ্চন নিয়ন্ত্ৰণাধীন এলেকা উন্নয়ন প্ৰকল্পৰ আধুনিকীকৰণ

বিগত ১০ বছৰত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত লাভ কৰা মুঠ ধনৰ সবিশেষ পৰিমান অসম বিধানসভাৰ নিৰ্দেশানুসৰি **অনুবদ্ধ-২** হিচাপে বিধানসভাৰ ৱেবচাইত "www.cms.neva.gov.in" ত আপলোদ কৰা হ'ল।

বিগত ১০ বছৰত প্ৰকৃততে ৭০৮৩৫ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ সুবিধা উপলব্ধ কৰা হৈছে। সবিশেষ তথ্য অসম বিধানসভাৰ নিৰ্দেশানুসৰি **অনুবদ্ধ-৩** হিচাপে বিধানসভাৰ ৱেবচাইত "www.cms.neva.gov.in" ত আপলোদ কৰা হ'ল।

**(গ)** অসমৰ প্ৰতি টুকুৰা কৃষিপথাৰতে বছৰৰ সকলো সময়তে জলসিঞ্চনৰ সুনিশ্চিতভাৱে সুবিধা যোগান ধৰি উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যৰে চৰকাৰে সুদুপ্ৰসাৰী প্ৰৰিকল্পনা গ্ৰহন কৰিছে । সিঞ্চন নিয়ন্ত্ৰণাধীন এলেকা উন্নয়ন প্ৰকল্পৰ আধুনিকীকৰণ (MCAD), বাহ্যিক আৰ্থিক সহায়ত ৰূপায়িত প্ৰকল্প (EAP), উত্তৰ পূৰ্বাঞ্চল পৰিষদ (NEC), উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গঠিত অব্যয় নোহোৱা কেন্দ্ৰীয় সম্পদ পুঁজি( NLCPR), ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি (SOPD), ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক (NABARD), প্ৰধানমন্ত্ৰী কৃষি সিচাই যোজনা (PMKSY–HKKP–SMI) ৰ অধীনত আঁচনি লৈ জলসিঞ্চনৰ সু-ব্যৱস্থা কৰাৰ চেষ্টা কৰা হৈছে। ইতিমধ্যে সিঞ্চন নিয়ন্ত্ৰণাধীন এলেকা উন্নয়ন প্ৰকল্পৰ আধুনিকীকৰণ (MCAD) আঁচনিৰ অধীনত ছিঙুঁৱা বোৱতী জলসিঞ্চন আঁচনিখনৰ কাম চলি আছে। এই আঁচনি সম্পূৰ্ণ হ'লে ১৪২৭ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা হ'ব।

XXXXXXX

অনুবন্ধ - ১

**Annexure I:**

| Sl no | District | Gross Sown Area (Hectare) |
|---|---|---|
| 1 | Kokrajhar | 133,830 |
| 2 | Dhubri | 184,056 |
| 3 | Goalpara | 128,773 |
| 4 | Barpeta | 189,643 |
| 5 | Morigaon | 122,038 |
| 6 | Nagaon | 266,998 |
| 7 | Sonitpur | 150,084 |
| 8 | Lakhimpur | 176,834 |
| 9 | Dhemaji | 123,395 |
| 10 | Tinsukia | 151,708 |
| 11 | Dibrugarh | 166,265 |
| 12 | Sivasagar | 96,862 |
| 13 | Jorhat | 113,807 |
| 14 | Golaghat | 188,149 |
| 15 | Karbi Anglong | 139,814 |
| 16 | Dima Hasao | 55,807 |
| 17 | Cachar | 163,610 |
| 18 | Sribhumi | 89,395 |
| 19 | Hailakandi | 66,838 |
| 20 | Bongaigaon | 95,723 |
| 21 | Chirang | 86,913 |
| 22 | Kamrup | 187,264 |
| 23 | Kamrup Metro | 28,044 |
| 24 | Nalbari | 95,531 |
| 25 | Baksa | 137,883 |
| 26 | Darrang | 158,031 |
| 27 | Udalguri | 151,296 |
| 28 | Biswanath | 97,398 |
| 29 | Charaideo | 60,137 |
| 30 | Hojai | 94,535 |
| 31 | Majuli | 55,783 |
| 32 | South Salmara | 38,195 |
| 33 | West Karbi Anglong | 93,095 |
| **Total** | **Assam** | **4,087,734** |

অনুবন্ধ ২

D. No.12.

Annexure

The details of the total fund received from the Central Govt and allocation received from the State Govt. for the different schemes in the last 10 years are as below:

(Rs. in Lakhs)

| Financial year | Total Fund Allocated by State Govt for different schemes (SOPD-G, NABARD etc) | GoI release (CS Schemes) |
|---|---|---|
| 2016-17 | 113143.20 | 5933.70 |
| 2017-18 | 46702.44 | 7728.87 |
| 2018-19 | 114371.42 | 3782.00 |
| 2019-20 | 87732.14 | 19834.00 |
| 2020-21 | 114348.73 | 12545.30 |
| 2021-22 | 70512.77 | 40816.00 |
| 2022-23 | 26546.47 | 7188.29 |
| 2023-24 | 42352.93 | 5209.35 |
| 2024-25 | 56010.19 | 9979.25 |
| 2025-26 | 35371.41 | 9899.00 |

Chief Engineer
Irrigation, Guwahati-3

অনুবন্ধ ৩

**In connection with Dy. No. 12 (Akhil Gogoi) (Priority Question for the Assam Assembly):**

Total geographical Area of Assam is 78,438 sq km. (Source: Statistical Handbook-2025).

Gross Sown Area in Assam is 4,087,734 Hectare. The District-wise details are enclosed in Annexure I. (Source: Statistical Handbook-2025).

In the last 10 years (i.e. 2016-17 to 2025-26), IPC (NIA) of 70835.00 hectare was created in the state of Assam.

Rupam S. Kalita
Senior Research Officer
Irrigation Department, Assam
Guwahati- 781003